**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-04-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অহা ২৫ এপ্ৰিলত পদ্মভূষণ সন্মানেৰে সন্মানিত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বৰেণ্য নৃত্যশিল্পী ড° সোণাল মান সিঙক ২০২৩ বৰ্ষৰ সন্মানীয় শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কৰিব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰা হ'ব। যোৱা বছৰৰ ২১ আগষ্টত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকে ড° মানসিঙক এই বঁটা প্ৰদানৰ সিদ্ধান্ত লৈছিল। উল্লেখযোগ্য যে ১৯৮৬ চনত সাহিত্য, কলা, সংস্কৃতি, সাংবাদিকতা আদি ক্ষেত্ৰত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতি অৰ্জন কৰা ব্যক্তিক ৰাজ্য চৰকাৰে শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদানৰ শুভাৰম্ভ কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰাজিৰ সোঁৱৰণৰ দ্বাৰা দেশবাসীক উদ্বুদ্ধ কৰাৰ উদ্দেশ্যে এই বঁটা প্ৰৱৰ্তন কৰা হৈছিল। এই বঁটাত আছে – ৫ লাখ টকাৰ লগতে এখন প্ৰশস্তি পত্ৰ, এটা সোণৰ পদক, এখন শৰাই আৰু অংগবস্ত্ৰ। ইয়াৰ পূৰ্বে ড° ভূপেন হাজৰিকা, কীৰ্তিনাথ হাজৰিকা, সত্যজিৎ ৰায়, ড° মহেশ্বৰ নেওগ, কপিলা বাৎসায়ন, ড° সত্যেন্দ্ৰনাথ শৰ্মা, ৰামচন্দ্ৰ নাৰায়ণ দণ্ডেকাৰকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিক এই বঁটা প্ৰদান কৰা হৈছিল।

ইপিনে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰামৰ্শমৰ্মে ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাই কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ অহা ২৪ আৰু ২৫ এপ্ৰিলত গুৱাহাটী ভ্ৰমণ কাৰ্যসূচীৰ প্ৰস্তুতিৰ বাবে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। মুখ্যসচিবগৰাকীয়ে সংশ্লিষ্ট বিভাগসমূহৰ সৈতে ৰাষ্ট্ৰপতিগৰাকীৰ ভ্ৰমণৰ প্ৰস্তুতি পৰ্যালোচনা কৰে। এই ভ্ৰমণসূচী নিয়াৰিকৈ পৰিচালনাৰ বাবে ড° কোটাই সকলোকে নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এই ভ্ৰমণকালত ২৫ এপ্ৰিলত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠানতো অংশ ল'ব।

0000000

আজি বিশ্ব ধৰিত্ৰী দিৱস। জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ, বনাঞ্চল ধ্বংস আৰু জৈৱ বৈচিত্ৰ্যৰ ক্ষতিৰ দৰে পৰিৱেশৰ সৈতে জড়িত সমস্যাসমূহৰ বিষয়ে সজাগতা বৃদ্ধি কৰিবলৈ প্ৰতি বছৰে ১৯৭০ চনৰ পৰা আজিৰ দিনটো বিশ্ব ধৰিত্ৰী দিৱস হিচাপে পালন কৰি অহা হৈছে। এই দিনটো বিশ্বত মানৱ জাতিৰ সামূহিক প্ৰভাৱৰ বিষয়ে চিন্তা-চৰ্চা কৰাৰ লগতে ইতিবাচক পৰিৱৰ্তন সাধনৰ বাবে চিন্তা-চৰ্চা কৰাৰ দিন। এইবেলি বিশ্ব ধৰিত্ৰী দিৱস উদযাপনৰ বিষয়বস্তু হ'ল- আমাৰ শক্তি, আমাৰ গ্ৰহ। বিশ্ব ধৰিত্ৰী দিৱস উদযাপনৰ ৫৫ বছৰ পূৰ্ণ হোৱাৰ দিনটো আজি বিশ্বৰ ১৯২ খন দেশ আৰু জনসাধাৰণে অংশ ল'ব বুলি আশা কৰা হৈছে। বিশ্ব ধৰিত্ৰী দিৱস উপলক্ষে মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বিনন্দীয়া পৃথিৱীৰ সুৰক্ষাৰ বাবে কাম কৰি যোৱাৰ সংকল্প গ্ৰহণ কৰিবলৈ ৰাজ্যৰ জনসাধাৰণক সামাজিক মাধ্যম এক্সৰ জৰিয়তে আহ্বান জনাইছে। নিজৰ বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কৈছে, যে এগৰাকী সচেতন নাগৰিক হিচাপে এখন প্ৰদূষণমুক্ত, স্বচ্ছ আৰু সেউজীয়া বহনক্ষম ধৰা গঢ়িবলৈ প্ৰত্যেকেই দৃঢ় সংকল্পবদ্ধ হ'লেহে এই সুন্দৰ ধৰণীখন সকলোৰে বাবে বাসোপযোগী হৈ ৰ'ব।

000000000

শ্ৰীভূমি জিলাৰ নিৰ্বাচনী আদৰ্শ আচৰণ বিধি কোষে সমাগত পঞ্চায়ত নিৰ্বাচনত লাউড স্পীকাৰ ব্যৱহাৰৰ চৰ্ত সাপেক্ষে অনুমতি দিছে। এই চৰ্তসমূহৰ ভিতৰত আছে সকলো ৰাজনৈতিক দল, প্ৰাৰ্থী, নিৰ্দলীয় প্ৰাৰ্থী আৰু প্ৰচাৰকসকলে অসম ৰাজ্যিক নিৰ্বাচন আয়োগে জাৰি কৰা আদৰ্শ আচৰণবিধি কঠোৰভাৱে মানি চলিব লাগিব। স্থবিৰ বা চলন্ত বাহনত পুৱা ৬ বজাৰ আগতে আৰু নিশা ১০ বজাৰ পাছত লাউড স্পীকাৰৰ ব্যৱহাৰ সম্পূৰ্ণ নিষিদ্ধ কৰা হৈছে। কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে যদি লাউড স্পীকাৰৰ জৰিয়তে ৰাজহুৱা স্থানত প্ৰচাৰ চলাব বিচাৰে তেন্তে সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা অনুমতি ল'ব লাগিব। ইয়াৰ উপৰি লাউড স্পীকাৰৰ ভলিউম ১০ ডেচিবেলত সীমাবদ্ধ থাকিব লাগিব। লগতে, দুৰ্নীতি আৰু নিৰ্বাচনী অপৰাধ, যেনে - উৎকোচ, ছদ্মবেশত ভোটদান, ভোটগ্ৰহণ কেন্দ্ৰৰ পৰা ১০০ মিটাৰৰ ভিতৰত প্ৰচাৰ, ভোটদানৰ সময়সীমা শেষ হোৱাৰ ৪৮ ঘণ্টাৰ আগতে ৰাজহুৱা সভা অনুষ্ঠিত, ভোটদাতাসকলক ভোটগ্ৰহণ কেন্দ্ৰলৈ নিবলৈ যান-বাহনৰ ব্যৱস্থা কৰা ইত্যাদি সম্পূৰ্ণ নিষিদ্ধ কৰা হৈছে। ইয়াৰ উপৰি যিকোনো ধৰ্মীয় স্থানত কোনো ধৰণৰ নিৰ্বাচনী পোষ্টাৰ, বেনাৰ বা ভাষণ দিয়াৰ অনুমতি দিয়া নহ'ব বুলি নিৰ্বাচনী আদৰ্শ আচৰণ বিধি কোষে অৱগত কৰিছে।

০০০০০০০০০

চানমাৰি নিৰ্মীয়মান উৰণসেতুত আজি এগৰাকী মহিলা বিদ্যুৎস্পৃষ্ট হয়। উৰণ সেতুৰ বিদ্যুৎ পৰিবাহী তাঁৰত লাগি আঘাতপ্ৰাপ্ত মহিলাগৰাকী ৰমিয় দাস বুলি জানিব পৰা গৈছে। ঘটনাৰ পাছতে মহিলাগৰাকীক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে। ইপিনে, যোৱানিশা হোৱা প্ৰৱল বৰষুণৰ ফলত অনিল নগৰ, নবীন নগৰকে ধৰি মহানগৰীৰ কেইবাটাও স্থানত কৃত্ৰিম বানৰ সৃষ্টি হৈছে।

০০০০০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত কালি বিয়লিৰ পৰা গাজনি-ঢেৰেকনিৰ সৈতে অহা বৰষুণৰ ফলত বিভিন্ন স্থান জলমগ্ন হৈ পৰিছে। বিশেষকৈ গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত কালি সন্ধিয়াৰ পৰা হোৱা বৰষুণৰ ফলত বহু স্থান পানীত বুৰ যায়।

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। বৰঝাৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগজাননী অনুসৰি অহা ২৬ এপ্ৰিললৈকে ৰাজ্যৰ ঠাই বিশেষে ধুমুহা-বৰষুণ হোৱাৰ সম্ভৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ডেলহী কেপিটেলছৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে কলকাতা নাইট ৰাইডাৰ্ছক ৩৯ ৰানত পৰাস্ত কৰি প্ৰতিযোগিতাৰ চলিত সংস্কৰণত নিজৰ ষষ্ঠ বিজয় সাব্যস্ত কৰে।

০০০০০০০